**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :05**-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে অহা এমাহলৈ কোনোধৰণৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ নকৰাৰ সিদ্ধান্ত জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ।

২। নামনি শোৱনশিৰি জলবিদ্যুৎ প্ৰকল্পৰ প্ৰথম পৰ্যায়ত বিদ্যুৎ উৎপাদন আৰম্ভ।

৩। ৰূপহীহাটত নগাঁও জিলা প্ৰশাসনৰ আজি উচ্ছেদ অভিযান।

৪। ডিমা হাচাওত জিলাখনৰ অসম ক্ৰিকেট সন্থাৰ প্ৰথমখন ষ্টেডিয়াম মুকলি।

*আৰু*

৫। কাইলৈ বিশাখাপট্টনমত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেল।

০০০০০০

ৰাজ্যৰ ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে অহা এমাহলৈ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে কোনোধৰণৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ নকৰে বুলি কালি সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰীয়ে জানিবলৈ দিয়ে। কালি দিছপুৰৰ জনতা ভৱনত মন্ত্ৰীগোটৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰ সৈতে আলোচনাত মিলিত হোৱাৰ পাছত সমিতিয়ে এই কথা স্পষ্ট কৰে। আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে কথোপকথনত শ্ৰী খাখলাৰীয়ে পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনাও ব্যক্ত কৰে। বৈঠকত ডাঃ পেগুৱে মন্ত্ৰীগোটে জনোৱা অনুমোদনৰ উপৰি ইতিমধ্যে তালিকাভুক্ত অনুসূচীত জনজাতিৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত ৰক্ষাৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰে বুলিও তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে সমন্বয়ৰক্ষী সমিতিক মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ পঞ্চম আৰু ষষ্ঠ দুয়োটা অধ্যায় পৃথকে পৃথকে পঢ়াৰ পৰিৱৰ্তে সমন্বিতৰূপত পঢ়িবলৈ আহ্বান জনায়। সমিতিখনে এই সন্দৰ্ভত নিজাববীয়াকৈ এটা বিশেষজ্ঞ গোট গঠন কৰি এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি অৱগত কৰে। শ্ৰী খাখলাৰীয়ে লগতে আলোচনাৰ মাধ্যমেৰে সুস্থ পৰিৱেশত সকলো সমস্যাৰ বিজ্ঞানসন্মত সমাধান উলিওৱা সম্ভৱ বুলি মন্তব্য কৰে। তেওঁ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ অধ্যক্ষতাত গঠন হোৱা উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে দাখিল কৰা প্ৰতিবেদনৰ কাৰণে এমাহৰ আন্দোলন কাৰ্যসূচী স্থগিতকৰণৰ বিষয়ে ঘোষণা কৰে। এই বিষয়ে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ডাঃ সুভাষ ৰাভাইও সহমত প্ৰকাশ কৰে।

অৱশ্যে জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ এই স্থিতিৰ বিপৰীতে কালি সন্ধিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জনজাতি ছাত্ৰ সমাজে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা কৰি প্ৰতিবাদী সমদল বাহিৰ কৰে।

০০০০০০

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত প্ৰথম পৰ্যায়ৰ বিদ্যুৎ উৎপাদন আৰম্ভ হৈছে। প্ৰকল্পটোৰ প্ৰথমটো ইউনিটত বিজুতি ঘটাৰ পাছত দ্বিতীয়টো ইউনিটৰ জৰিয়তে কালি সফলভালে ২৫০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যক আদৰণি জনাই কয়, যে এই প্ৰকল্পই লাখ লাখ লোকৰ বাবে বিশুদ্ধ শক্তিৰ উৎপাদনেৰে দেশৰ শক্তি নিৰাপত্তাক গুৰুত্বপূৰ্ণ গতি প্ৰদান কৰাৰ লগতে অসমৰ বিকাশৰ ধাৰাত ইন্ধন যোগাব। উল্লেখযোগ্য যে বিভিন্ন দল সংগঠনৰ বিৰোধিতাৰ মাজত ২৬ হাজাৰ ৭৫ কোটি টকা ব্যয় সাপেক্ষে এই দুহেজাৰ মেগাৱাট শক্তি সম্পন্ন বৃহৎ নদী বান্ধটো নিৰ্মাণ কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২০ ডিচেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। একেদিনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে গুৱাহাটীত এখন জনসভাত অংশগ্ৰহণ কৰিব।

শ্ৰীমোদীয়ে ২১ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ নামৰূপত স্থাপন হ'বলগীয়া এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পত বছৰি ১২ দশমিক ৭ মেট্ৰিক টন এম'নিয়া ইউৰিয়া উৎপাদন কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীৰ এই দুদিনীয়া ভ্ৰমণসূচীৰ প্ৰস্তুতি সন্দৰ্ভত যোৱা বুধবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কেইবাগৰাকী মন্ত্ৰী আৰু বিষয়াৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কালি সাংবাদিকৰ আগত এইদৰে কয়–

***(বাইট ঃ ড০ শৰ্মা)***

০০০০০০

ৰাজ্যৰ ৭টা জনগোষ্ঠীক ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্তিকৰণৰ বাবে অনুষ্ঠিত শুনানিৰ পাছত কালি ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগৰ সচিবৰ হাতত অসম পিছপৰা শ্ৰেণী আয়োগে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদন ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগৰ পৰামৰ্শ অনুযায়ী যুগুতোৱা হৈছিল। এই সন্দৰ্ভত প্ৰতিবেদন দাখিলৰ পাছত অসম পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ অজয় কোঁৱৰে কয়, যে ১৯৯৪ চনৰ পাছৰে পৰা ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্তিকৰণৰ বাবে আবেদন কৰিও কোনো সুদুত্তৰ লাভ নকৰা ৰাজ্যৰ ৭টা জনগোষ্ঠীৰ বাবে এতিয়া অন্তৰ্ভুক্তিকৰণৰ পথ প্ৰশস্ত হৈছে। তেওঁ বিষ্ণুপ্ৰিয়া মণিপুৰী সম্প্ৰদায়ৰ লগতে ঔপনিবেশিক শাসনৰ সময়তে অসমলৈ অহা ভৰ, নেৱাৰ, ভুজেল, সৎনামী, সাৱাৰ আৰু কিৰণ-শেখ সম্প্ৰদায়ক ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্তিকৰণৰ বাবে প্ৰতিবেদনত উল্লেখ কৰিছে বুলি জানিবলৈ দিয়ে।

উল্লেখযোগ্য যে যোৱা ২৭ নৱেম্বৰত ৰাষ্ট্ৰীয় পিছপৰা শ্ৰেণী আয়োগৰ অধ্যক্ষ হংসৰাজ গংগাৰাম আহিৰে খানাপাৰাৰ অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয়ত এই সন্দৰ্ভত বিভিন্ন জনগোষ্ঠীৰ অভিযোগ-প্ৰতি অভিযোগৰ শুনানি গ্ৰহণ কৰিছিল। এই শুনানিৰ ভিত্তিত অধ্যক্ষগৰাকীয়ে পৰৱৰ্তী সময়ত নতুন দিল্লীত প্ৰতিবেদন দাখিল কৰিবলৈ আহ্বান জনাইছিল। ইয়াৰ পাছত এই প্ৰতিবেদন কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হ'ব।

oooooo

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত আজি উচ্ছেদ অভিযান চলাব। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত অবৈধভাৱে বাস কৰা ৭৫টা পৰিয়ালক উচ্ছেদ কৰিব। জিলা প্ৰশাসনে ইতিমধ্যে দখলীকৃত ভূমি খালী কৰাৰ বাবে প্ৰেৰণ কৰা  জাননী লাভ কৰাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি যায়। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ উপস্থিতিত আজি বাকী থকা পৰিয়ালসমূহক উচ্ছেদ কৰা হ'ব।

oooooo

ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বাবে বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটদাতাসকলৰ তথ্য সংগ্ৰহ কৰিছে। বুথ পৰ্যায়ৰ বিষয়াসকলে তিনি ডিচেম্বৰলৈকে লাভ কৰা তথ্য অনুসৰি ভোটাৰ তালিকাত মুঠ এক লাখ ৬৭ হাজাৰ ৯২৫ জন মৃত ভোটাৰৰ নাম অন্তৰ্ভুক্ত হৈ আছে। তদুপৰি এক লাখ ২৯ হাজাৰ ৬৭৬ জন স্থান সলনি কৰা ভোটদাতাৰ তথ্যও লাভ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে যোৱা ২২ নৱেম্বৰত আৰম্ভ হোৱা ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াত প্ৰতিটো নিৰ্বাচন কেন্দ্ৰৰ বাবে মুঠ ২৯ হাজাৰ ৬৫৬ জন বুথ পৰ্যায়ৰ বিষয়া নিয়োগ কৰা হৈছে।

oooooo

মহিলাসকলক সমস্যা সমাধানৰ ক্ষেত্ৰত অসম ৰাজ্যিক মহিলা আয়োগক সক্ৰিয় কৰি তোলাৰ লক্ষ্যৰে আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাৰ নেতৃত্বত উলিওৱা সজাগতামূলক মটৰ চাইকেল সমদল কালি বৰপেটাত উপস্থিত হয়। কালি দুপৰীয়া দলটো জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছত জিলা প্ৰশাসন, আৰক্ষী আৰু জিলা মহিলা আয়োগৰ বিষয়ববীয়াই তেওঁলোকক শুভেচ্ছা জনায়। ইয়াৰ পাছতে অনুষ্ঠিত এখন সভাত বৰপেটা জিলাত মহিলা আয়োগৰ কামকাজ কাজ পৰ্যালোচনা কৰা হয়। তদুপৰি জিলাখনত মহিলাৰ বিৰুদ্ধে অপৰাধ, নিৰ্যাতন আদি ব্যৱস্থা সম্পৰ্কেও পৰ্যালোচনা কৰা হয়। আয়োগৰ অধ্যক্ষ গৰাকীয়ে এই সভাত উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত থকা মহিলা কোষসমূহ সক্ৰিয় কৰি মহিলাৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ গোচৰসমূহ সহজে মিমাংসাৰ বাবে পৰামৰ্শ দিয়ে। মহিলাসকলক সংকটৰ অৱস্থাত সহায় কৰিব পৰাকৈ ১৮১ নম্বৰ আৰু ৯৪৩৫১-৯৬২৬৩ ফোন নম্বৰ মুকলি কৰা হৈছে বুলি আয়োগৰ অধ্যক্ষ আঙুৰলতা ডেকাই জানিবলৈ দিয়ে।

***(বাইট ঃ আঙুৰলতা)***

oooooo

ৰাজ্য চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ ভূমি সংৰক্ষণ সঞ্চালকালয়ৰ চৌহদত বিশ্ব ভূমি দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ভূমি সংৰক্ষণ আদি বিভাগৰ মন্ত্ৰী

উৰ্খাও গৌৰা ব্ৰহ্মই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙে ভূমি সংৰক্ষণৰ প্ৰয়োজনীয়তা তথা এই ক্ষেত্ৰত জনসাধাৰণৰ কৰণীয় সন্দৰ্ভত ভাষণ দিব।

০০০০০০

বিগত প্ৰায় আঢ়ৈ মাহ ধৰি প্ৰশাসনিক অচলাৱস্থা চলি থকা তেজপুৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থিৰ কৰি তোলাৰ বাবে কালি অধ্যাপক ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যই ছাত্ৰ আৰু শিক্ষক-কৰ্মচাৰী সমাজৰ সমৰ্থনত ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। অৱশ্যে বিশ্ববিদ্যালয়খনৰ এই স্থিতিত এতিয়াও কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ অনুমোদন পাবলৈ বাকী আছে। ইয়াৰ পূৰ্বে কালি বিশ্ববিদ্যালয়খনৰ উপ-উপাচাৰ্য হিচাপে গণসংযোগ বিভাগৰ অধ্যাপক জয়া চক্ৰৱৰ্তীক নিযুক্তি প্ৰদান কৰাক লৈ ছাত্ৰ সমাজে বিক্ষোভ প্ৰদৰ্শন কৰিছিল।

উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য সম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত হোৱা অনিয়মৰ পৰিপ্ৰেক্ষিতত নিৰপেক্ষ তদন্তৰ দাবী জনাই বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু কৰ্মচাৰী সমাজে চলোৱা প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত ইতিপূৰ্বে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক শীঘ্ৰেই হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰিছিল। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকী দীৰ্ঘদিন ধৰি আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰী আৰু প্ৰশাসনিক ব্যৱস্থাৰ যাতে কোনো ক্ষতি নহয় তাৰপ্ৰতি লক্ষ্য ৰাখি ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তিৰ ব্যৱস্থা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছিল।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত সৃষ্টি হোৱা অচলাৱস্থাৰ অৱসান ঘটাবলৈ মঙলবাৰে সাংসদ অজিত কুমাৰ ভূঞাইও ৰাজ্যসভাত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীক আহ্বান জনাইছিল। ১৯৯৪ চনৰ সংশ্লিষ্ট আইনৰ অধীনত প্ৰতিষ্ঠা হোৱা এই কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনত সংঘটিত বিভিন্ন অনিয়ম সন্দৰ্ভত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সম্প্ৰদায় আৰু শিক্ষক কৰ্মচাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি অহাৰ পৰিপ্ৰেক্ষিতত বিষয়টো শীঘ্ৰেই নিষ্পত্তিৰ প্ৰয়োজন হৈছে বুলি তেওঁ উল্লেখ কৰিছিল। তেওঁ লগতে উপাচাৰ্যগৰাকী যোৱা প্ৰায় দুমাহ ধৰি বিশ্ববিদ্যালয়খনৰ পৰা আঁতৰি আছে আৰু তেওঁৰ কাম-কাজ সম্পৰ্কে অসম চৰকাৰে গঠন কৰা উচ্চ পৰ্যায়ৰ তদন্ত সমিতিয়েও কেতবোৰ গুৰুত্বপূৰ্ণ বিসংগতি ধৰা পেলাইছে বুলিও সদনত উল্লেখ কৰিছিল।

০০০০০০

কাইলৈ নিশা ৮ বাজি ২ মিনিটত আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

ডিমা হাচাওৰ সুন্দৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত আজি জিলাখনৰ প্ৰথমখন অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়াম মুকলি কৰা হ'ব। সকলো প্ৰকাৰৰ প্ৰয়োজনীয় সুবিধাৰে সমৃদ্ধ এই ষ্টেডিয়ামত ১৫ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব। ষ্টেডিয়ামখনত পাঁচখন পিট্ছ, এটা আধুনিক পেভেলিয়ন আৰু অন্যান্য উন্নত সুবিধাসমূহ

খেলুৱৈসকলে লাভ কৰিব। এই ষ্টেডিয়ামে ক্ৰীড়াৰ ক্ষেত্ৰত জিলাখনক আগবঢ়াই নিয়াৰ লগতে পৰ্যটনৰ ক্ষেত্ৰতো সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে।   দুয়োটা দলে কাইলৈ শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন দুদিনিয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। এই বাতৰিটো গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে আলোকচিত্ৰ সহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।৭ বছৰত ৰাজ্যৰ টোলগেটত প্ৰায় ২৬০০ কোটি টকা সংগ্ৰহ হৈছে। লোকসভাত কেন্দ্ৰীয় মন্ত্ৰী নিতিন গডকাৰিৰ উদ্ধৃতিৰে এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। Aiudf দলৰ এজন বিধায়কে এনডীক মুকলিকৈ কৰা প্ৰশংসাক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। উচ্চ ন্যায়ালয় স্থানান্তৰক লৈ বেলট ৰ দ্বাৰা মতামত সংগ্ৰহৰ সিদ্ধান্ত লৈছে গুৱাহাটী উচ্চ ন্যায়ালয় বাৰ এচচিয়েচনে । চৰকাৰী কৰ্মচাৰীক ৩ বছৰত এবাৰহে বিদেশ ভ্ৰমণৰ অনুমতি দিয়া হব। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত ১ লাখ ৬৮ হাজাৰ মৃত ভোটাৰ চিনাক্ত হোৱা বুলি দৈনিক অসম কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৮ সপ্তাহত জেহাদী সংগঠনত দেশৰ ৫ হাজাৰ মহিলা যুৱতীৱে যোগ দিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মৃত্যুঞ্জয় ১০৮ সেৱাৰ কৰ্মচাৰীৰ আন্দোলনক অবৈধ ঘোষণা কৰি কৰ্তব্যত যোগ দিবলৈ কৰ্তৃপক্ষই নিৰ্দেশ দিছে। অসমীয়া খবৰ কাকতে এই বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

চৰাইদেউ জিলাত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী তথা মাহমৰাৰ বিধায়ক যোগেন মহন, জিলা আয়ুক্ত ড০ নেহা যাদৱ আৰু সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ মাজত আয়োজিত মুখ্যমন্ত্ৰীৰ চাহ জনজাতি ফুটবল টুৰ্নামেণ্টৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সকলো দিশ পৰ্যালোচনা কৰা হয়। মন্ত্ৰী মহনে এই

ক্ষেত্ৰত জিলা প্ৰশাসনক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। ইয়াৰ লগতে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভতো আলোচনা কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত